জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৮০/২০২০

## লক্-ডাউনৰ সময়ছোৱাত মুম্বাইত আৱদ্ধ অসমৰ শ্ৰমিকৰ সাহায্যাৰ্থে সীমা বিশ্বাসে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ১৫ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰ'না ভাইৰাছ সংক্ৰমণৰ এই দুৰ্যোগপূৰ্ণ সময়ত অসমৰ জীয়ৰী তথা বোলছবি জগতৰ স্বনামধন্য অভিনেত্ৰী সীমা বিশ্বাসে মুম্বাই মহানগৰীত আৱদ্ধ হৈ থকা অসমৰ শ্ৰমিক তথা তেওঁলোকৰ পৰিয়ালবৰ্গক সকাহ দিয়াৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লৈছে। ভাৰতীয় বোলছবি জগতৰ খ্যাতনামা অভিনেত্ৰী গৰাকীয়ে ইতিমধ্যে লক্-ডাউনৰ সময়ত মুম্বাইত আৱদ্ধ হৈ থকা অসমৰ এইসকল লোকৰ সাহায্যাৰ্থে আৰু মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ লাখ টকাৰ বৰঙণি আগবঢ়াইছে। এই ধনৰাশিৰ ২.৫ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰু বাকী ২.৫ লাখ টকা অসম ভৱন মুম্বাইৰ দ্বাৰা যোৱা ২২ মাৰ্চৰ পৰা ধাৰাবাহিকভাৱে চলাই থকা সাহায্য প্ৰদান অভিযানলৈ তেওঁ আগবঢ়াইছে। প্ৰথিতযশা অভিনেত্ৰী গৰাকীয়ে আজি তেওঁৰ মুম্বাইৰ গড়েগাঁওস্থিত নিজ বাসভৱনত অসম চৰকাৰৰ প্ৰতিনিধিৰ হাতত এই ধনৰাশি প্ৰদান কৰে।

**পুঃডেঃ / বীঃগঃ**
**১৫/৪/২০২০**